# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 30-06-2025
**Time :** 1845 HRS

## *Assamese Evening Bulletin*
### Headlines
--------------------

১। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ গোলাঘাট জিলাত দুটা বহুমুখী ক্ৰীড়া প্ৰকল্পৰ উদ্বোধন।

২। গোলাঘাট জিলাৰ ৫৫ হাজাৰ লোকক সামৰি ১৩০ কোটি টকা ব্যয় সাপেক্ষ পানী যোগান প্ৰকল্পৰ আধাৰশিলা স্থাপন।

৩। ১৮৮২ চনত গঠিত শিলচৰ নগৰ সমিতি পৌৰ নিগমলৈ উন্নীত। গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পাছত শিলচৰ ৰাজ্যখনৰ তৃতীয়খন পৌৰ নিগম।

৪। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ অষ্টসপ্ততিতম প্ৰতিষ্ঠা দিৱস কাইলৈ বিস্তৃত কাৰ্যসূচীৰে আয়োজন। *আৰু*

৫। আজিৰে পৰা লণ্ডনত উইম্বলডন টেনিছ প্ৰতিযোগিতা আৰম্ভ। ভাৰতৰ চাৰিগৰাকী খেলুৱৈৰ প্ৰতিযোগিতাত অংশগ্ৰহণ।

০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি গোলাঘাট জিলা ক্ৰীড়া সন্থাৰ নৱনিৰ্মিত ইনড'ৰ ষ্টেডিয়াম উদ্বোধন কৰে। অসম চৰকাৰৰ গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগে নগৰীয়া আন্তঃগাঁথনি উন্নয়ন পুঁজি আঁচনিৰ অধীনত ৭ কোটি ৯৪ লাখ টকা ব্যয় সাপেক্ষে এই ষ্টেডিয়ামটো নিৰ্মাণ কৰি উলিয়াইছে। ৬খন টেবুল টেনিছ ব'ৰ্ড আৰু ৫খন বেডমিণ্টন ক'ৰ্ট সংযুক্তকৰণেৰে নিৰ্মাণ কৰা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ এই ষ্টেডিয়ামৰ নৱসংযোজনে গোলাঘাট জিলা ক্ৰীড়া ক্ষেত্ৰক নতুন ৰূপ দিব বুলি আশা কৰা হৈছে। মুখ্যমন্ত্ৰী শৰ্মাই আজি গোলাঘাট চৰকাৰী বেজবৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নৱনিৰ্মিত ক্ৰীড়া প্ৰকল্পও মুকলি কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে তেওঁৰ ভাষণত বিদ্যালয়খনৰ প্ৰতিষ্ঠাকালৰ সৈতে জড়িত প্ৰতিগৰাকী ব্যক্তিলৈ শ্ৰদ্ধা জনোৱাৰ উপৰি ছাত্ৰ-ছাত্ৰীসকলক ক্ৰীড়া ক্ষেত্ৰৰ প্ৰতি আগ্ৰহী হ'বলৈ উৎসাহিত কৰে। অসমৰ থলুৱা খেলসমূহৰ সংৰক্ষণৰ বিষয়ে বিশেষভাৱে উল্লেখ কৰি ড০ শৰ্মাই কয়, যে এই ক্ৰীড়া প্ৰকল্পৰ অংশ হিচাপে নিৰ্মাণ কৰা ক্ৰীড়া সংগ্ৰহালয়ত ৰাজ্যখনৰ প্ৰায় প্ৰতিগৰাকী বিশিষ্ট ক্ৰীড়াবিদৰ সফলতাসমূহ প্ৰদৰ্শনৰ লগতে পৰম্পৰাগত খেলসমূহৰ সংৰক্ষণৰো ব্যৱস্থা কৰা হৈছে।

**বাইট--১ চি এম**

মুখ্যমন্ত্ৰী শৰ্মাই আজি জিলাখনত এটা খোৱাপানী যোগান প্ৰকল্পৰ আধাৰশিলা স্থাপন কাৰ্যসূচীতো ভাগ লয়। ধনশিৰি নৈৰ পানীৰে গোলাঘাট জিলাৰ ৫৫ হাজাৰ লোকক ২৪ ঘণ্টাই খোৱাপানী যোগানৰ বাবে ১৩০ কোটি টকা ব্যয় সাপেক্ষে এই প্ৰকল্প নিৰ্মাণ কৰা হ'ব।

**বাইট–২ চি এম**

মুখ্যমন্ত্ৰীগৰাকীয়ে আজি ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰী আঠখেলীয়া নামঘৰৰ নৱনিৰ্মিত নাটঘৰো উদ্বোধন কৰে। তেওঁ ইয়াৰ পূৰ্বে পুৱাৰ ভাগত দেৰগাঁৱৰ লাচিত বৰফুকন আৰক্ষী একাডেমীৰ নৱনিৰ্মিত চৌহদত গছপুলি ৰোপণ কৰে।

০০০০০

১৮৮২ চনত নগৰ সমিতিৰূপে গঠিত আৰু পৰৱৰ্তীকালত পৌৰ সভালৈ উন্নতি হোৱা শিলচৰ পৌৰসভাক আজি পৌৰ নিগমৰূপে স্বীকৃতি দিয়া হৈছে। পৌৰ সভাখনৰ ২৮ টা ৱাৰ্ডক ৪২ টা ৱাৰ্ডলৈ বৃদ্ধি কৰি পৌৰ নিগম গঠন কৰা হ'ব আৰু অক্টোবৰৰ ভিতৰত পৌৰ নিগমৰ নিৰ্বাচন অনুষ্ঠিত হ'ব। গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পাছত শিলচৰ হ'ব ৰাজ্যখনৰ তৃতীয়খন পৌৰ নিগম। ২০২২ চনৰ নৱেম্বৰ মাহত শিলচৰ পৌৰ সভাক নিগম হিচাপে গঠন কৰাৰ বিষয়ে ঘোষণা কৰা হৈছিল। যোৱা বছৰ শিলচৰ পৌৰ নিগম গঠনৰ বাবে বিজ্ঞপ্তি জাৰি কৰা হৈছিল যদিও আজিহে শিলচৰ পৌৰসভাৰ কাৰ্যালয়ৰ নাম পৰিৱৰ্তন কৰি পৌৰ নিগমৰ ফলক উন্মোচন কৰা হয়। এই উপলক্ষে আয়োজিত অনুষ্ঠানত সাংসদ কনাড পুৰকায়স্থ, বিধায়ক দিপায়ন চক্ৰৱৰ্তী আৰু শিলচৰ পৌৰ সভাৰ শেষৰজন অধ্যক্ষ নিহাৰেন্দ্ৰ নাৰায়ন ঠাকুৰ উপস্থিত থাকে। সংবাদ মাধ্যমৰ সৈতে হোৱা কথোপকথনত মুখ্য অতিথি কনাড পুৰকায়স্থই কয়, যে এই পদক্ষেপে মহানগৰখনৰ উন্নতিৰ দিশত তাৎপৰ্যপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব। চৰকাৰৰ উন্নয়নমূলক দৃষ্টিভংগীৰ বিষয়ে উল্লেখ কৰি শ্ৰী পুৰকায়স্থই কয়, যে ৰাজ্য চৰকাৰৰ উন্নয়ন যাত্ৰাৰে বৰাক আৰু ব্ৰহ্মপুত্ৰৰ সমন্বয় সাধন কৰি বৰাক উপত্যকাৰ উন্নয়নৰ বাট প্ৰশস্ত হ'ব। শিলচৰ পৌৰ নিগমৰ স্বীকৃতি লাভ সন্দৰ্ভত এয়া আমাৰ সংবাদদাতা আঁখিৰাণী দাস— *(ৱাইট)*

০০০০০

অসম প্ৰদেশ কংগ্ৰেছ কমিটীয়ে আজি ৰাজীৱ ভৱনত **আছাম জাষ্টিছ** শীৰ্ষক এটা প'ৰ্টেল মুকলি কৰে। বিধায়ক জাকিৰ হুছেইন সিকদাৰ, মহিলা কংগ্ৰেছৰ সভানেত্ৰী মীৰা বৰঠাকুৰকে ধৰি অন্যান্য নেতা-কৰ্মীৰ উপস্থিতিত বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই এই প'ৰ্টেলটো মুকলি কৰে। শ্ৰীশইকীয়াই অনুষ্ঠানৰ পাছত এখন সংবাদমেলত কয়, যে ৰাজ্যৰ পঞ্চায়তী ব্যৱস্থাৰ পৰা আৰম্ভ কৰি শিক্ষা, স্বাস্থ্য, পথ আদিৰ সমস্যা সন্দৰ্ভত জনসাধাৰণে এই প'ৰ্টেলৰ জৰিয়তে অভিযোগ দাখিল কৰিব পাৰিব। তেওঁ কয়, যে জনসাধাৰণে দাখিল কৰা সমস্যাসমূহ পঞ্জীয়ন কৰি এইক্ষেত্ৰত বিহিত ব্যৱস্থা গ্ৰহণৰ বাবে বিৰোধী দলপতিৰ কাৰ্যালয়ৰ পৰা চৰকাৰী বিভাগসমূহক অৱগত কৰোৱা হ'ব আৰু এই সমস্যাসমূহ সমাধানৰ বাবে চৰকাৰক হেঁচা প্ৰয়োগ কৰা হ'ব। এই পদক্ষেপৰ জৰিয়তে চৰকাৰী পুঁজিৰ উচিত ব্যৱহাৰ নিশ্চিত কৰি গণতন্ত্ৰ শক্তিশালী কৰাৰ প্ৰয়াস কৰা হ'ব বুলি বিৰোধী দলপতিগৰাকীয়ে মন্তব্য কৰে।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰই কাইলৈ ৭৮ বছৰত ভৰি দিব। এই উপলক্ষে আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে কাইলৈ পুৱা চাৰে ৯ বজাত বিভাগটোৰ লবীত কেইবাগৰাকীও প্ৰয়াত সহকৰ্মীৰ আলোকচিত্ৰ স্থাপন কৰিব। প্ৰয়াত সহকৰ্মী কেইগৰাকীৰ পৰিয়ালে আগবঢ়োৱা এই আলোকচিত্ৰকেইখন কাইলৈ আনুষ্ঠানিকভাৱে অনাবৰণ কৰা হ'ব। অষ্ট সপ্ততিতম্ প্ৰতিষ্ঠা দিৱস উপলক্ষে আকাশবাণী গুৱাহাটী কেন্দ্ৰই কাইলৈ দিনৰ ১০ বজাত গুৱাহাটীৰ উজানবজাৰৰ বিবেকানন্দ কেন্দ্ৰৰ প্ৰেক্ষাগৃহত এটা অন্তৰংগ অনুষ্ঠানৰ আয়োজন কৰিছে। এই অনুষ্ঠানত আকাশবাণী গুৱাহাটী কেন্দ্ৰ বিষয়ক কুইজৰ বিজয়ীসকলৰ লগতে ভালেকেইগৰাকী প্ৰাক্তন সতীৰ্থৰ সৈতে অন্তৰংগ আলাপ অনুষ্ঠিত হ'ব।

কাইলৈ সন্ধিয়া চাৰে ৬ বজাত আকাশবাণী গুৱাহাটী কেন্দ্ৰই ৰঙিয়াৰ হৰদত্ত-বীৰদত্ত ভৱনত ‘ওপজা দিনৰ সুবাস’ শীৰ্ষক এটা সংগীতানুষ্ঠানৰ আয়োজন কৰিছে। অনুষ্ঠানত বিশিষ্ট সংগীত শিল্পী দিলীপ দাসৰ গীত আৰু আলাপ, ডম্বৰুধৰ পাঠক আৰু জবা দাসৰ লোকগীত, উৎপল বৰাৰ মেন্দোলিন বাদন আৰু ৰঙিয়াৰ সমন্বয়ী কলাকেন্দ্ৰৰ শিল্পীসকলৰ নৃত্যানুষ্ঠান পৰিৱেশন কৰা হ’ব। প্ৰতিষ্ঠা দিৱসৰ প্ৰাক্ সন্ধিয়া আকাশবাণী গুৱাহাটীৰ কক্ষসমূহৰ দুৱাৰমুখত ৰং-বিৰঙী বেলুনেৰে সজাই তোলাৰ লগতে সন্ধিয়ালৈ আলোকসজ্জাৰ ব্যৱস্থা কৰা হৈছে। প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি কাইলৈ  আকাশবাণী গুৱাহাটীৰ প্ৰাচীৰ পত্ৰিকা **আকাশী স্পন্দন**ৰ ষষ্ঠ বৰ্ষৰ একাদশ সংখ্যা আনুষ্ঠানিকভাৱে উন্মোচন কৰা হ’ব। **আকাশী স্পন্দন**ৰ এইবাৰৰ সংখ্যা গণশিল্পী দিলীপ শৰ্মাৰ জন্ম শতবৰ্ষ বিশেষ সংখ্যাৰূপে প্ৰকাশ কৰা হ’ব। কাইলৈৰ পৰা আকাশবাণী গুৱাহাটী কেন্দ্ৰই ৱিৱিধ ভাৰতী শাখাত অসমীয়া অনুষ্ঠানৰ প্ৰচাৰ পুনৰ আৰম্ভ কৰিব। ইয়াৰ উপৰিও কাইলৈৰ পৰা আকাশবাণী গুৱাহাটী কেন্দ্ৰই সাদিনীয়া নাট মহোৎসৱৰ আয়োজন কৰিছে। কাইলৈৰ নাটক– সূৰ্যৰ পৰিচালনাত ড০ ভৱেন্দ্ৰ নাথ শইকীয়াৰ **ৰাৱন**। আকাশবাণী গুৱাহাটী কেন্দ্ৰই কাইলৈ ৰঙিয়াৰ হৰদত্ত-বীৰদত্ত ভৱনত আয়োজিত **ওপজা দিনৰ সুবাস** অনুষ্ঠানটো ইয়াৰ মহাবাহু শাখাত পোনপটীয়াকৈ প্ৰচাৰ কৰিব। এই পোনপটীয়াকৈ প্ৰচাৰৰ বাবে আমাৰ কাইলৈ সন্ধিয়া ৭ বাজি ১০ মিনিটত প্ৰচাৰিত হ’বলগীয়া অসমীয়া বাতৰি সন্ধিয়া ৬ বাজি ২০ মিনিটত প্ৰচাৰিত হ’ব।

০০০০০

আকাশবাণী তেজপুৰ কেন্দ্ৰই কাইলৈ গৌৰৱোজ্জ্বল ২৫ বছৰীয়া যাত্ৰা সম্পূৰ্ণ কৰাৰ উপলক্ষে তেজপুৰ মহাবিদ্যালয় প্ৰেক্ষাগৃহত আজি সন্ধিয়া ৰূপালী জয়ন্তী সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হৈছে। অনুষ্ঠানত আকাশবাণী আৰু দূৰদৰ্শনৰ উত্তৰ-পূব ক্ষেত্ৰৰ অতিৰিক্ত সঞ্চালকপ্ৰধান আশীষ ভাটনাগৰ বিশেষ অতিথি হিচাপে উপস্থিত থকাৰ লগতে তেজপুৰৰ সাহিত্য সংস্কৃতি জগতৰ কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত আছে।

০০০০০

যোৰহাট জিলা দিৱস উদযাপনৰ প্ৰথম দিনৰ কাৰ্যসূচীৰ অংশ হিচাপে আজি জিলা প্ৰশাসনৰ উদ্যোগত আৰু  লোক নিৰ্মাণ বিভাগৰ সৌজন্যত যোৰহাট পৌৰ সভা এলেকাৰ অন্তৰ্গত ক্লাব ৰোড, নআলি আৰু জিলাখনৰ কাকডোঙা নদীৰ সোঁ কাষৰ মথাউৰি আৰু পথত গছপুলি ৰোপণ কৰা হয়। জিলা আয়ুক্ত, তিতাবৰ সম-জিলা আয়ুক্ত আৰু তিতাবৰ বিধানসভা সমষ্টিৰ বিধায়কৰ উপস্থিতিত পৰিৱেশ সংৰক্ষণ আৰু বহনক্ষম উন্নয়নৰ চেতনা প্ৰবহমান কৰাৰ লক্ষ্যৰে  এই কাৰ্যসূচী হাতত লোৱা হয়। ইয়াৰ পূৰ্বে যোৰহাট পৌৰসভা এলেকাৰ বিভিন্ন বিদ্যালয়, মহাবিদ্যালয় আৰু গুৰুত্বপূৰ্ণ ৰাজহুৱা স্থানসমূহত দেৱাল চিত্ৰ অংকন প্ৰতিযোগিতাও জিলা দিৱস উপলক্ষে আয়োজন কৰা হয়। জিলাখনৰ চহকী সাংস্কৃতিক ঐতিহ্য প্ৰদৰ্শন কৰাৰ লগতে জনগোষ্ঠীয় সংযোগৰ প্ৰসাৰৰ উদ্দেশ্যে জিলা প্ৰশাসনৰ উদ্যোগত এই প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়।

০০০০০

মাজুলীৰ কমলাবাৰী ঘাটৰ পৰা নিমাতি ঘাটলৈ যাত্ৰা কৰা এছ বি প্ৰীতিশ নামৰ ফেৰীখন আজি পুৱাৰ ভাগত ব্ৰহ্মপুত্ৰৰ বালিচৰত লাগি ধৰাৰ পৰিপ্ৰেক্ষিতত আভ্যন্তৰীণ জল পৰিবহণ বিভাগে কমলাবাৰী ঘাট অস্থায়ীভাৱে বন্ধ ঘোষণা কৰিছে। উল্লেখযোগ্য যে কালিও ব্ৰহ্মপুত্ৰৰ মাজত এছ বি জলতৰি নামৰ আন এখন ফেৰী আবদ্ধ হৈ পৰাত যাত্ৰীৰ মাজত হাহাকাৰ লাগে। সেয়েহে  কমলাবাৰী ঘাটৰ পৰা নিমাতীঘাটলৈ অহা-যোৱা কৰা যাত্ৰীসকলক অফলামুখ ঘাটেৰে জল পৰিবহণ বিভাগে যাত্ৰাৰ ব্যৱস্থা কৰিছে।

০০০০০

তিনিচুকীয়া জিলাৰ উজনি শদিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আজিৰে পৰা দুৰ্যোগ প্ৰশমনৰ বিশেষ বুনিয়াদী প্ৰশিক্ষণ অনুষ্ঠিত হৈছে। সপ্তাহজোৰা এই প্ৰশিক্ষণত অসামৰিক প্ৰতিৰক্ষা বিভাগৰ বিষয়া প্ৰশিক্ষকসকলে বানত ক্ষতিগ্ৰস্ত জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ প্ৰয়াস কৰিব। এই প্ৰশিক্ষণ কাৰ্যসূচীত আজি ভালেসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।

ooooo

অসমীয়া সাহিত্য-সংস্কৃতিলৈ উল্লেখনীয় বৰঙণি আগবঢ়োৱা নামৰূপ শাখা সাহিত্য সভাৰ নৱনিৰ্মিত ভৱন আজি সাংসদ ৰামেশ্বৰ তেলী আৰু নাহৰকটীয়াৰ বিধায়ক তৰংগ গগৈয়ে উদ্বোধন কৰে। এই নৱনিৰ্মিত ভৱনে অনাগত সময়ত সাহিত্য, সংস্কৃতি তথা সমাজৰ উন্নয়নৰ হকে কৰা কাম-কাজসমূহ আগবঢ়াই নিয়াত বিশেষ ভূমিকা পালন কৰিব বুলি আশা কৰা হৈছে।

ooooo

ৰাজ্যৰ অষ্টম শ্ৰেণীৰ পৰা দশম শ্ৰেণীৰ ভিতৰত বিদ্যালয় এৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধি পোৱাৰ বিষয়টোক লৈ ৰাজ্য চৰকাৰে গভীৰ উদ্বেগ প্ৰকাশ কৰিছে। বিদ্যালয় শিক্ষা বিভাগে ইয়াৰ কাৰণসমূহৰ বিস্তৃত অধ্যয়নৰ বাবে এখন উচ্চ পৰ্যায়ৰ সমিতি গঠন কৰিছে। বিদ্যালয় শিক্ষা বিভাগৰ অতিৰিক্ত সচিব কৃষ্ণা বৰুৱাৰ অধ্যক্ষতাত সমগ্ৰ শিক্ষাৰ বিশেষ কৰ্তব্যৰত বিষয়া, প্ৰাথমিক শিক্ষা সঞ্চাকালয়ৰ উপ-সঞ্চালক, ইউনিচেফ আৰু কেন্দ্ৰীয় স্কোৱাৰ ফাউণ্ডেচনৰ মুৰববীক লৈ এই সমিতিখন গঠন কৰা হৈছে। সমিতিখনে ছাত্ৰ-ছাত্ৰীসকলে বিদ্যালয় এৰাৰ কাৰণসমূহ অধ্যয়ন কৰি যাৱতীয় পৰামৰ্শাৱলীসহ ১৫ আগষ্টৰ ভিতৰত মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ত প্ৰতিবেদন দাখিল কৰিব। এই সন্দৰ্ভত বিদ্যালয় শিক্ষা বিভাগে জাৰি কৰা নিৰ্দেশনা অনুসৰি সমিতিখনে শ্ৰেণী, লিংগ, ভৌগোলিক অৱস্থান আৰু আৰ্থ সামাজিক দিশত কোনটো পৰ্যায়ত বিদ্যালয় এৰাৰ প্ৰৱণতা বৃদ্ধি পাই সেই সন্দৰ্ভত অধ্যয়ন কৰিব। সমিতিখনে লগতে  বিশেষভাৱে পিছপৰা আৰু দুৰ্বল শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিদ্যালয় এৰাৰ প্ৰৱণতা হ্ৰাস কৰাৰ বাবে নিযুত মইনা আঁচনিৰ দৰে অন্যান্য আঁচনি ৰূপায়ণৰ সন্দৰ্ভতো পৰ্যালোচনা কৰিব।

ooooo

মুখ্যমন্ত্ৰীৰ **এটি কলি দুটি পাত** শীৰ্ষক আঁচনিখন ডিব্ৰুগড় জিলাত ৰূপায়ণ সন্দৰ্ভত আজি জিলা আয়ুক্তৰ অধ্যক্ষতাত এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত জিলা আয়ুক্ত বিক্ৰম কৈৰীয়ে বাগিচাসমূহৰ কৰ্তৃপক্ষক নিজ নিজ চাহ বাগিচাৰ স্থায়ী আৰু অস্থায়ী শ্ৰমিক তথা কৰ্মচাৰীৰ তালিকা, আধাৰ কাৰ্ডৰ প্ৰতিলিপি আৰু বেংক একাউণ্টৰ সবিশেষ জিলা আয়ুক্তৰ কাৰ্যালয়ত শীঘ্ৰেই জমা দিবলৈ আহ্বান জনায়। উল্লেখযোগ্য যে চাহ বাগিচাৰ স্থায়ী আৰু অস্থায়ী শ্ৰমিকৰ লগতে কৰ্মচাৰীসকললৈ ৫ হাজাৰ টকাৰ এককালীন সাহায্য প্ৰদানৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে এই আঁচনিখন আৰম্ভ কৰিছে।

ooooo

লণ্ডনৰ অল ইংলেণ্ড ক্লাবত আজিৰে পৰা চলিত বৰ্ষৰ তৃতীয়টো গ্ৰেণ্ডশ্লেম উইম্বলডন টেনিছ প্ৰতিযোগিতা আৰম্ভ হৈছে। এইবাৰৰ  প্ৰতিযোগিতাত পুৰুষৰ ছিংগলছ্ শাখাত চলিত বৰ্ষৰ ফ্ৰেন্স অ'পেন খিতাপ অৰ্জন কৰা কাৰ্লছ্ আলকাৰাজ, বিশ্বৰ শীৰ্ষস্থানৰ জানিক ছিনাৰ আৰু ২৪ বাৰ গ্ৰেণ্ডশ্লেম খিতাপ অৰ্জন কৰা ন'ভাক জ'ক'ভিচ অন্যতম তাৰকা খেলুৱৈ। আলকাৰাজ নিজৰ প্ৰথম ৰাউণ্ডৰ খেলত ফেবিঅ' ফগনিনিৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। প্ৰথম ৰাউণ্ডৰ আন এখন খেলত ফ্ৰান্সৰ বেঞ্জামীন বনজিয়ে প্ৰতিযোগিতাৰ নৱম বাচনিপ্ৰাপ্ত তাৰকা খেলুৱৈ ডানিল মেদৱেদেৱক ৭-৬, ৩-৬, ৭-৬, ৬-২ ছেটত পৰাস্ত কৰে।  মহিলাৰ

ছিংগলছ্ শাখাত এইবাৰৰ ফ্ৰেন্স অপেন ছেম্পিয়ন কোকো গ'ফ, শীৰ্ষ বাচনিৰ খেলুৱৈ অৰিণা চাবালেংকা, জেছমীন পাওলিনি, মেডিচন কিজ, নাওমি ওচাকা, এমা ৰাদুকানুৱে শক্তিশালী প্ৰতিদ্বন্দীৰূপে অৱতীৰ্ণ হ'ব। পুৰুষৰ দ্বৈত শাখাত ভাৰতৰ চাৰিগৰাকী খেলুৱৈয়ে অংশগ্ৰহণ কৰিব। ৰোহণ বাপান্নাই তেওঁৰ বেলজিয়ামৰ সংগী ছেন্দাৰ গীলেৰ সৈতে আৰু যুকী ভাম্ব্ৰি আমেৰিকাৰ ৰবাৰ্ট গেল'ৰেৰ সৈতে প্ৰতিযোগিতাত ভাগ ল'ব। ভাৰতৰ ঋত্বিক বল্লিপালিয়ে ৰোমানিয়াৰ নিকোলাছ্ বেৰিয়েণ্টছ্ আৰু এন শ্ৰীৰাম বালাজীয়ে মেক্সিক'ৰ মিগুৱেল ৰেয়েছ ৰৰেলাৰ সৈতে অংশ ল'ব। এই প্ৰতিযোগিতা ১৩ জুলাইত পুৰুষৰ একক শাখাৰ চূড়ান্ত প্ৰতিযোগিতাৰে সামৰণি পৰিব।

ooooo

সমাপ্ত